بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**বনু মুস্তালিকৰ যুদ্ধত সংঘটিত হোৱা উফকৰ ঘটনাৰ বৰ্ণনাৰ লগতে বাংলাদেশ আৰু পাকিস্তানৰ আহমদী আৰু মুছলিম উম্মাহৰ বাবে দোৱাৰ আবেদন**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৬ আগষ্ট ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আগৰ কিছুমান খোতবাত বনু মুস্তালিকৰ অভিযান সম্পৰ্কে বৰ্ণনা কৰা হৈছিল। যাৰ অতিৰিক্ত বৰ্ণনাত এই কথা সমূহ লিখা আছে যে বনু মুস্তালিকৰ পৰা উভতি অহাৰ সময়ত যেতিয়া আঁহজৰত (ছাঃ)য়ে নকিয়া নামক ঠাইখনত আহল-বহল ঘাঁহনি পথাৰ দেখা পাইছিল তাতে পুখুৰীও আছিল। তেতিয়া তেখেত (ছাঃ)ক প্ৰশ্ন কৰাত কৈছিল যে গৰমৰ দিনত এই পুখুৰী বিলাকত পানী কম হৈ যায়। আঁহজৰত (ছাঃ)য়ে হজৰত হাতিব বিন আবি বুলতাহ (ৰাঃ)ক তাতে এখন কুঁৱা খান্দোৱাই চৰণীয়া পথাৰ বনাবলৈ আদেশ দিয়ে আৰু হজৰত বিলাল বিন হাৰিছুল মজানি (ৰাঃ)ক তাৰ পৰিচালক হিচাপে নিযুক্তি দিয়ে। তেখেত (ছাঃ)য়ে হজৰত বিলাল (ৰাঃ)ক আদেশ দিছিল যে ৰাতিপুৱাৰ ভাগত এজন লোকক পাহাৰৰ ওপৰত উঠি মাত দিবলৈ দিবা আৰু যিমান দূৰলৈ তাৰ মাতৰ শব্দ যাব, তালৈকে মুছলমান সকলৰ জিহাদী উট ঘোঁৰা আদিৰ বাবে চৰণীয়া পথাৰ বনাব। তেখেত (ছাঃ)য়ে সেই চৰণীয়া পথাৰত দৰিদ্ৰ পুৰুষ মহিলাৰ ভেড়া, ছাগলী চৰাবলৈ অনুমতি দিছিল। এই চৰণীয়া পথাৰখন হজৰত আবু বক্কৰ (ৰাঃ), হজৰত উমৰ (ৰাঃ), হজৰত উচমান (ৰাঃ)ৰ খিলাফৎ কাললৈকে প্ৰতিষ্ঠিত আছিল। পিছত উট, ঘোঁৰা আদিৰ সংখ্যা বাঢ়ি যোৱাত অন্য ঠাইলৈ যাবলগীয়া হৈছিল।

ৰছুলুল্লাহ (ছাঃ)য়ে চাহাবা সকলক সুস্থ সবল ৰাখিবলৈ সদায় চোকা দৃষ্টি ৰাখিছিল; আৰু মাজে সময়ে খেল-ধেমালিৰ শৃংখলা, বলবীৰ্য, ঈমান আৰু জিহাদী তৎপৰতা উজাগৰ থাকিছিল, গতিকে বনু মুস্তালিকৰ পৰা ওভতি অহাৰ সময়ত নকিয়া নালক ঠাইখনত আহি তেখেত (ছাঃ)য়ে চাহাবা সকলৰ মাজত উট ঘোঁৰাৰ দৌৰ প্ৰতিযোগীতা অনুষ্ঠিত কৰে আৰু তেখেত (ছাঃ)ৰ উটনী কছুৱায় জয়লাভ কৰে আৰু তেখেত (ছাঃ)ৰ ঘোঁৰা জৰাবেও বাকী ঘোঁৰা বিলাকক পিছ পেলাই দিছিল। সেই ঠাইত তেখেত (ছাঃ)য়ে হজৰত আয়শা (ৰাঃ)কও দৌৰ প্ৰতিযোগীতা

কৰোৱায় আৰু সেই প্ৰতিযোগীতাত তেখেত (ছাঃ)য়ে জয়লাভ কৰে আৰু কয় যে এয়া সেইবাৰৰ প্ৰতিফল, যেতিয়া তুমি মোক চেৰপেলাই গৈছিল। তেখেত (ছাঃ)য়ে এই বাক্য ফাঁকিৰ জৰিয়তে অতীতৰ এটা ঘটনাৰ ফালে আঙুলিয়াই দিছে যেতিয়া তেখেত (ছাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ ঘৰত গৈ হজৰত আয়শা (ৰাঃ)ৰ হাতত কিবা বস্তু দেখিছিল আৰু তাইৰ পৰা সেয়া বিচাৰিছিল, কিন্তু আয়শা (ৰাঃ)য়েও সেয়া দিবলৈ অস্বীকাৰ কৰি দৌৰি গুচি যাবলৈ লয়, এনেতে তেখেত (ছাঃ)য়েও তাইৰ পিছে পিছে দৌৰি যায় যদিও তাইক ধৰিব নোৱাৰে এয়া হ'ল সেইবোৰ কাম যিবিলাক  ঘৰত এটা সুন্দৰ আনন্দময় পৰিৱেশ গঢ়ি তোলে। মুঠতে প্ৰত্যেক কামতে আঁহজৰত (ছাঃ)য়ে আমাৰ আগত এটা সুন্দৰ আদৰ্শ স্থাপন কৰি গৈছে। এয়া সেই সকল লোকৰ বাবেও এটা আদৰ্শ স্বৰূপ যিসকলে নিজৰ পত্নীৰ ওপৰত কঠোৰতা পয়োগ কৰে। বৰ্তমান যুগৰ লোকৰ বাবেও এয়া শিক্ষনীয় বিষয়। মহিলা সকলৰ লগত সুন্দৰ আচৰণ কৰাটো ইছলামে শিক্ষা দিয়ে। যাৰ দৃষ্টান্ত আঁহজৰত (ছাঃ)য়ে স্থাপন কৰি থৈ গৈছে।

এই অভিযানত ঘটনা উফকৰ উল্লেখ পোৱা যায়। ইয়াৰ বৰ্ণনা এনেদৰে পোৱা যায় যে বনু মুস্তালিকৰ যুদ্ধৰ পৰা ওভতি অহাৰ বাটত মুনাফিক সকলে আন এটা বিবাদৰ সুত্ৰপাত ঘটায়। সেয়া হ'ল উম্মুল মোমিনিন হজৰত আয়শা (ৰাঃ)ৰ ওপৰত এটা মিছা অপবাদ ৰটনা কৰা। ছহী বুখাৰীত বৰ্ণনা অনুযায়ী হজৰত আয়শা (ৰাঃ)ৰ ঘটনা উফাক সম্পৰ্কে বৰ্ণনা কৰোঁতে কৈছে যে ৰছুলুল্লাহ (ছাঃ)য়ে যেতিয়া কোনো ভ্ৰমণৰ উদ্দেশ্যে সিদ্ধান্ত লৈছিল তেতিয়া লগত কোনজনী পত্নীক লৈ যাব এই সম্পৰ্কে লটাৰী দিছিল। আৰু যাৰ পক্ষে সেই লটাৰী লাগিছিল তাইক ৰছুলুল্লাহ (ছাঃ)য়ে লগত লৈ গৈছিল। হজৰত আয়শা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে এখন যুদ্ধত যোৱাৰ সময়ত আমাৰ মাজত লটাৰী দিছিল আৰু তাতে মোৰ নাম আহে। তেতিয়া মহিলাৰ বাবে পৰ্দাৰ আদেশ নাযিল হৈছিল আৰু মই তেখেত (ছাঃ)ৰ লগত গৈছিলো। ভ্ৰমণ কালত মই (হুদছ) দোলাৰ ভিতৰত বহিছিলো আৰু লোকে দোলা খন দাঙি নি উটৰ পিঠিত ৰাখি দিছিল আৰু অৱস্থান কৰা ঠাইত গৈ সেই দোলাখন মাটিত নমাই দিছিল। যুদ্ধৰ পৰা ওভতি অহাৰ সময়ত যেতিয়া আমি আহি মদিনাৰ ওচৰ পাইছিলো, তেতিয়া এদিন ৰাতিৰ বেলিকাই তেখেত (ছাঃ)য়ে যাত্ৰা আৰম্ভ কৰিবলৈ আদেশ দিয়ে। মই তেতিয়া শৌচ পেচাবৰ কাৰণে বাহিৰলৈ বুলি গৈছিলো আৰু যেতিয়া মই তাৰ পৰা ওভতি আহিবলৈ লৈছিলো তেতিয়া মই মোৰ ডিঙিত হাত বুলাই চাইছিলো যে মোৰ ডিঙিত থকা মূল্যবান মাৰ্বলৰ হাৰডাল ছিঙি কৰবাত পৰি গৈছে। মই সেই হাৰডাল বিচাৰি গৈছিলো। এনেতে মই দোলাৰ ভিতৰত থকা বুলি ভাবি লোক সকলে দোলাখন দাঙি নি উটৰ পিঠিত উঠাই দিয়ে আৰু তাৰ পৰা যাত্ৰা আৰম্ভ কৰে। ইয়াৰ পিছত যেতিয়া মই ছাউনীত ওভতি আহো চাওঁ যে তাত কোনেও নাই, সকলোৱে গুচি গৈছে। তেতিয়া মই নিজে থকা ঠাইখনলৈ যাওঁ আৰু ধাৰণা কৰো যে তেওঁলোকে মোক দোলাত নাপালে মোক বিচাৰি ওভতি আহিব। এনেতে মোৰ টোপনি ধৰাত মই শুই পৰিছিলো।

চফোৱান বিন মোৱাত্তল (ৰাঃ)ৰ সৈন্য বাহিনীৰ ৰৈ যোৱা বস্তু বাহানি গোটাই লৈ যোৱাৰ দায়িত্ব আছিল। ৰাতিপুৱা যেতিয়া তেওঁ মোৰ থকা ঠাইলৈ আহিছিল তেতিয়া তেওঁ মোক দেখি চিনি পায় কাৰণ পৰ্দাৰ আদেশ হোৱাৰ আগতে তেওঁ মোক দেখিছিল। মই তেওঁৰ ইন্না লিল্লাহ পঢ়াৰ শব্দ শুনি সাৰ পাইছিলো। মই মোৰ চাদৰেৰে মূকখন ঢাকি লৈছিলো আৰু আল্লাহৰ কছম ! আমাৰ মাজত কোনো কথা-বতৰাও হোৱা নাছিল। মই তাৰ উটৰ পিঠিত আৰোহণ কৰিছিলো আৰু দুপৰীয়াৰ তীব্ৰ গৰমৰ মাজত আহি সৈন্য বাহিনীয়ে জিৰণী লোৱা ঠাইত লগ পাইছিলো। হজৰত আয়শা (ৰাঃ)য়ে বৰ্ণনা কৰিছে, ধ্বংস হৈ যাব, তেওঁ ধ্বংস হৈ যাব যিজনে মোৰ দুৰ্নাম গাইছে। সেই জনলোক আব্দুল্লাহ বিন আবি বিন ছলোল আছিল।

হজৰত আয়শা (ৰাঃ)য়ে কৈছে যে মই সেই ভ্ৰমণৰ পৰা মদিনাত আহি বেমাৰত পৰিছিলো আৰু এই অপবাদ সম্পৰ্কে মই একো গম পোৱা নাছিলো। বেমাৰৰ মাজত মই আৰু বেছি ব্যাকুল হৈ পৰিছিলো এই কাৰণেই যে মই ৰছুলুল্লাহ (ছাঃ)ৰ মাজত মোলৈ সেই মৰম দেখা পোৱা নাছিলো যি আগতে মই দেখিছিলো। ৰছুলুল্লাহ (ছাঃ)য়ে

মোৰ ওচৰত আহি কেৱল ছালাম কৰি সুধিছিল তোমাৰ অৱস্থা কেনে আছে; আৰু তাৰ পিছত গুচি গৈছিল। এই কথাখিনি ভাৱি ভাৱি মই ব্যাকুল হৈ পৰিছিলো।

মই এদিন উম্মে মুস্তাহাৰ লগত বাহিৰলৈ যাওঁ তেতিয়া এই অপবাদৰ বিষয়ে মই গম পাইছিলো। মই ঘৰলৈ ওভতি অহাৰ পিছত ৰছুলুল্লাহ (ছাঃ)য়ে মোৰ ওচৰলৈ আহে আৰু তেতিয়া মই তেখেত (ছাঃ)ৰ পৰা মাক দেউতাকৰ ঘৰলৈ বুলি যোৱাৰ অনুমতি বিচাৰিছিলো। তেখেত (ছাঃ)য়ে মোক যাবলৈ অনুমতি দিয়ে আৰু মই মাকৰ ঘৰলৈ যাওঁ। মই মোৰ মাকক কৈছিলো যে মানুহে এইবোৰ কি কোৱামেলা কৰিছে ? মাকে মোক ধৈৰ্য ধাৰণ কৰিবলৈ কৈছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে মোৰ মাত শুনি কৈছিল যে হে মোৰ মৰমৰ জীয়ৰী! মই তোমাক কছম দিছো তুমি তোমাৰ ঘৰলৈ ওভতি যোৱা, তেতিয়া মই ঘৰলৈ ওভতি আহিছিলো; হজৰত আয়শা (ৰাঃ)য়ে কৈছে যে মই সেই দিনা গোটেই ৰাতিটো কান্দিছিলো। পিছদিনাখন ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত আলি বিন তালিব আৰু হজৰত উছামা বিন জায়েদ (ৰাঃ)ৰ সৈতে মোৰ লগত সম্পৰ্ক বিচ্ছিন্ন কৰাৰ বিষয়ে আলোচনা কৰে। হজৰত উছামা (ৰাঃ)য়ে কৈছিল তাই আপোনাৰ পৱিত্ৰ পত্নী আৰু আমি ইয়াৰ কল্যাণৰ বাহিৰে একো ক'ব নোৱাৰো। এয়া একেবাৰে মিছা অপবাদ ৰটনা কৰিছে। হজৰত আলি (ৰাঃ)য়ে কৈছিল ইয়া ৰছুলুল্লাহ ! আল্লাহ আপোনাৰ ওপৰত কোনো অভাৱ ৰখা নাই আৰু তাইৰ বাহিৰে মহিলা আৰু বহুত আছে আপুনি খাদিমাক সুধি চাওঁক তাই সত্য কথা ক'ব। আঁহজৰত (ছাঃ)য়ে খাদিমা জনীক প্ৰশ্ন কৰাত তাই কৈছিল খোদাৰ কছম ! মই তাইৰ মাজত কেতিয়াও এনেকুৱা বিষয় প্ৰত্যক্ষ কৰা নাই যাক আমি অপৰাধ, পাপ বুলি ভাৱো।

সেই দিনাই ৰছুলুল্লাহ (ছাঃ)য়ে মেম্বাৰৰ ওপৰত থিয় হৈ আব্দুল্লাহ বিন আবিৰ ওপৰত বেজাৰ প্ৰকাশ কৰি কৈছিল যে হে মুছলমান সকলৰ জামাত ! আল্লাহৰ কছম ! কোন আছা মোক তেওঁৰ পৰা ৰক্ষা কৰিবা, যাৰ ফালৰ পৰা মোৰ আৰু মোৰ পৰিয়ালৰ কষ্ট হৈ আছে ? আল্লাহৰ কছম ! মই নিজৰ পৰিয়ালৰ বিষয়ে কল্যাণৰ বাহিৰে একো নাজানো। তেতিয়া হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)য়ে উত্তৰ দিছিল যে মই আপোনাক ৰক্ষা কৰিম। যদি এই ব্যক্তিজন আমাৰ আউচ কবিলাৰ হয় তেন্তে মই তাৰ ডিঙি কাটি পেলাম আৰু যদি লোকজন খজৰজ কবিলাৰ হয় তেন্তে আপুনি যিদৰে আদেশ দিব মই সেইমতেই কাম কৰিবলৈ সাজু আছো। খজৰজ কবিলাৰ চৰদাৰ ছঈদ বিন উবায়দা (ৰাঃ)য়ে তেতিয়া ছাআদ বিন মুৱাজক কৈছিল যে তুমি মিছা মাতি আছা। খোদাৰ কছম! তুমি আমাৰ কবিলাৰ কোনো লোকক হত্যা কৰিব নোৱাৰা। এনে কথা বতৰাত দুয়ো কবিলাৰ লোক ক্ৰোধান্বিত হৈ পৰে আৰু এনে পৰিস্থিতিৰ উদ্ভৱ হয় যে কাজিয়াৰ সুত্ৰপাত হ'ব। কিন্তু আঁহজৰত (ছাঃ)য়ে সকলোকে বুজাই পৰাই শান্ত কৰি তাৰ পৰা গুচি যায়।

হজৰত আয়শা (ৰাঃ)য়ে কয় যে পৰিস্থিতি মৰ্মে মোৰ চকুলো বৈ অহা বন্ধ হোৱা নাছিল আৰু মোৰ টোপনি উৰি গৈছিল। এনে অৱস্থাত এদিন আঁহজৰত (ছাঃ)য়ে মোৰ ওচৰলৈ আহে আৰু তাছাহুদ পঢ়ি কয় যে হে আয়শা! চোৱা মই তোমাৰ সম্পৰ্কে এই এই কথা শুনিছো। গতিকে তুমি যদি নিৰ্দোষ হোৱা তেন্তে মই আশা কৰো, খোদা নিশ্চয় তোমাক নিৰ্দোষ প্ৰমাণিত কৰিব আৰু যদি তোমাৰ দ্বাৰা কোনো ভুল সংঘটিত হৈছে তেন্তে খোদাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰা। যদি বান্দায় তওবা কৰে তেন্তে খোদা তাৰ তওবা কবুল কৰি লয় আৰু তাৰ ওপৰত ৰহমত বৰ্ষণ কৰে। মই মোৰ মাক দেউতাকক ৰছুলুল্লাহ (ছাঃ)ৰ উক্ত কথাবোৰৰ উত্তৰ দিবলৈ কৈছিলো। তেতিয়া মোৰ মাক দেউতাই কৈছিল যে আমি নাজানো যে আমি তেখেত (ছাঃ)ক কি উত্তৰ দিম ? তেতিয়া মই আঁহজৰত (ছাঃ)ক কৈছিলো যে মোক মোৰ নিজৰ বিষয়টো ইউচুফৰ বাপেকৰ সমস্যাৰ দৰে অনুমান হৈ আছে যিয়ে কৈছিল যে **ফাছাবাৰুন জামিলুন ওৱাল্লাহুল মুছতাআনু আলা মা তাছিফুন** গতিকে মই ধৈৰ্য ধৰা অবিহনে কি কৰিব পাৰো। একমাত্ৰ আল্লাই আছে যাৰ সহায় বিচাৰিব পৰা যায়, যি আপুনি বৰ্ণনা কৰিছে। গতিকে মোৰ বাবে ধৈৰ্য ধৰাই উত্তম। আল্লাই নিশ্চয় অতি সোনকালে মোৰ নিৰ্দোষ হোৱাৰ প্ৰমাণ কৰি দিব।

তেতিয়াও আঁহজৰত (ছাঃ)য়ে উঠিবলৈ লোৱা নাছিল। এনেতে তেখেত (ছাঃ)ৰ ওপৰত ওহী নাযিল হয় আৰু তেখেত (ছাঃ)য়ে এই অৱস্থাত পিছত হাঁহি হাঁহি কৈছিল যে আয়শা ! খোদা তোমাৰ নিৰ্দোষ প্ৰমাণ কৰি দিছে।

যেতিয়া মোৰ নিদোষীতা প্ৰমাণ হৈ যায় তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে দৰিদ্ৰ মুস্তাহা বিন আছাছাক কিবা দান কৰি আছিল কি ভৱিষ্যতলৈ আৰু তাক সহায় নকৰাৰ কছম খাইছিল। লগে লগে আল্লাহ তা'লা ওহী নাযিল কৰে যে এনেকুৱা কৰাটো মুঠেই পছন্দনীয় নহয়। এয়া শুনি হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৈছিল যে আল্লাহৰ কছম! মই বিচাৰো যে আল্লাহ মোৰ পাপ মোচন কৰি দিয়ক আল্লাহৰ শপত লৈছিল যে ভৱিষ্যতলৈ কেতিয়াও মুস্তাহাৰ অজিফা বন্ধ নকৰিব।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজি মই আকৌ সকলোকে দোৱাৰ ফালে মনোযোগ আকৰ্ষণ কৰিব বিচাৰিছো। বাংলাদেশৰ আহমদী সকলৰ বাবে দোৱা কৰিব। আল্লাহ তা'লা যেন অতি সোনকালে সিহঁতৰ পৰিস্থিতি শান্ত আৰু উন্নত কৰে। পাকিস্তানৰ আহমদী সকলৰ বাবে দোৱা কৰিব। আল্লাহ তা'লা যেন সিহঁতৰ পৰিস্থিতি উন্নত কৰে। পেলেষ্টাইনৰ নিপীড়িত জনতাৰ বাবে দোৱা কৰিব যাতে আল্লাহ তা'লা সিহঁতৰ নেতৃবৃন্দক বিবেক দান কৰে আৰু জনগনৰ অধিকাৰ সাব্যস্ত কৰোঁতা হয়, আৰু জন সাধাৰণৰ ওপৰত অত্যাচাৰী নহয়। কাৰণ সিহঁতৰ অত্যাচাৰৰ কাৰণেই শত্ৰুৰ সাহস বৃদ্ধি পাই আছে, মুছলমানৰ ওপৰত জুলুম বাঢ়ি গৈ আছে। কাৰণ সিহঁতে জানে যে এওঁলোকে নিজৰ অধিকাৰ সাব্যস্ত কৰিব পৰা নাই, আমাৰ পৰা কেনেকৈ অধিকাৰ বিচাৰিব। আল্লাহ তা'লা মুছলিম উম্মাহৰ ওপৰত কৃপা বৰ্ষণ কৰক।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 16 AUG 2024**

## BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................
..............................................................................................................................
..............................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844

অনুবাদক ঃ শ্বাহজাহান আলি মুৱাল্লিম ছিলছিলা